Total number of printed pages–4

**63(FY) SEM–4/MAJ/ASMMAJ2034**

**2025**

# ASSAMESE

(Major)

Paper : ASMMAJ2034

***(Assamese Poetry)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) লোক সাহিত্যকে কেইটা ভাগত ভগাব পাৰি?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(খ) হাতী মাউতৰ জীৱন চৰ্যাৰ বিশেষ উল্লিখন কোন শ্ৰেণীৰ লোকগীতত পোৱা যায়?

*(i)* মিচিং লোকগীত

*(ii)* ৰাভা লোকগীত

(iii) গোৱালপৰীয়া লোকগীত

(iv) কামৰূপী লোকগীত

(গ) 'চিত্ৰকূটৰ-চিত্ৰ' কবিতাটি মাধৱ কন্দলিৰ ৰামায়ণৰ কোনটো কাণ্ডৰ পৰা অনা হৈছে?

(i) আদি কাণ্ড

(ii) অযোধ্যা কাণ্ড

(iii) সুন্দৰা কাণ্ড

(iv) উত্তৰা কাণ্ড

(ঘ) 'অসমীয়া ব্যাস' বুলি কোনজন কবিক জনা যায়?

(i) অনন্ত কন্দলি

(ii) ৰাম সৰস্বতী

(iii) মাধৱদেৱ

(iv) ভট্টদেৱ

(ঙ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কাব্যাংশ ক'ৰ পৰা লোৱা হৈছে?

(i) অসম বুৰঞ্জী

(ii) তুংখুঙীয়া বুৰঞ্জী

(iii) বেলিমাৰৰ বুৰঞ্জী

(iv) ত্ৰিপুৰা বুৰঞ্জী

(চ) 'অসমীয়া লোকগীতি সঞ্চয়ন' শীৰ্ষক গ্ৰন্থখনৰ ৰচক হ'ল

(i) প্ৰফুল্ল দত্ত গোস্বামী

(ii) বীৰেন্দ্ৰনাথ দত্ত

(iii) হেমন্ত কুমাৰ শৰ্মা

(iv) বিৰিঞ্চি কুমাৰ বৰুৱা



২। তলত দিয়া প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়াঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) লোকগীতৰ দুটা বৈশিষ্ট্য লিখা।

(খ) নেপালৰ ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা কোনে চৰ্যাপদসমূহ সংগ্ৰহ কৰি আনিছিল আৰু কি নামেৰে প্ৰকাশ কৰিছিল?

(গ) "দেখা দেখা জানকী হৰিষ কৰি মন।
ফলমূল যুকুত বিবিধ তৰু বন॥"
এই কাব্যাংশ কোনটো কবিতাৰ পৰা তুলি দিয়া হৈছে? ইয়াত জানকী কোন?

(ঘ) "ব্ৰজিবো অযোধ্যাপুৰী পাত্ৰ-মন্ত্ৰীগণ।
এহি থানে দিবো প্ৰভু কৰা ৰঙ্গমন॥"
এই পদফাঁকি কোনে, কি উপলক্ষে কৈছিল?

(ঙ) কানখোৱা পুথিৰ ৰচক কোন? তেঁও কোন যুগৰ কবি?

(চ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটোৰ পাঠ্যাংশ কোনে কাৰ আগত বৰ্ণনা কৰিছে ?

(ছ) 'শ্ৰীকৃষ্ণ-কীৰ্তন'ৰ কবি কোন? কাব্যখন কেইটা খণ্ডত বিভক্ত?

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) সুবচনীৰ অৰ্থ কি ? সুবচনী গীতৰ বিশেষত্বসমূহ উল্লেখ কৰা।

(খ) পাঁচালী কবি দুৰ্গাবৰৰ সাহিত্য কৃতি সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা।

(গ) "নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ" — এই চৰ্যাপদটিৰ অন্তৰ্নিহিত ভাবাৰ্থ মুকলিকৈ লিখা।



Contd.

(ঘ) 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ কাব্যাংশৰ মাজত ৰাধাৰ ৰূপৰ বৰ্ণনা কেনেদৰে দিয়া হৈছে লিখা।

(ঙ) 'শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা'' বৰগীতটোৰ মূল কথাখিনি লিখা।

(চ) 'মাই হেৰ গোকুল চান্দ আৱে' — বৰগীতটোত প্ৰকাশ পোৱা কৃষ্ণৰ ৰূপৰ বিৱৰণ দিয়া।

(ছ) 'ধৃতৰাষ্ট্ৰ-বিদুৰ সংবাদ' - কাব্যাংশৰ আধাৰত ধৃতৰাষ্ট্ৰ আৰু বিদুৰৰ কথোপকথনৰ বৰ্ণনা দিয়া।

(জ) ৰংপুৰ নগৰৰ বৰ্ণনা কাব্যাংশত মন্ত্ৰীবৰে দিয়া অনুসৰি নগৰখনৰ বৰ্ণনা দাঙি ধৰা।

(ঝ) 'মন ভাই, মন ভাই, নাম ল'লে নেহেৰায়' — জিকিৰটোৰ মাজেৰে গীতৰ ইছলাম ধৰ্মীয় তত্ত্ব কোনেদৰে প্ৰকাশ পাইছে, লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা : ১২×২=২৪

(ক) গোৱালপৰীয়া লোকগীতত প্ৰতিফলিত নাৰী জীৱনৰ চিত্ৰ সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(খ) চৰ্যাপদৰ মাজেৰে প্ৰাচীন কামৰূপৰ সামাজিক চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰা।

(গ) 'চিত্ৰকূটৰচিত্ৰ' কাব্যখণ্ডত মাধৱ কন্দলিয়ে অসমৰ প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্য আৰু কাব্যিক সৌন্দৰ্য কেনেদৰে বৰ্ণনা কৰিছে আলোচনা কৰা।

(ঘ) সীতাই কি কাৰণে মায়া অযোধ্যা পুৰী সৃষ্টি কৰিছিল? সেই অযোধ্যাপুৰীৰ এটি বৰ্ণনা আগবঢ়োৱা।

---